**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে তিনিদিনীয়া উত্তৰ প্ৰদেশ ভ্ৰমণৰ আজি তৃতীয়দিনা মথুৰা জিলাৰ গোৱৰধনস্থিত ডাংঘাটী মন্দিৰ দৰ্শন কৰি পূজা অৰ্চনা কৰে।

২। সমগ্ৰ দেশতে আজি উলহ-মালহেৰে ঈদ-উল-ফিটৰ পালন কৰা হৈছে।

৩। নিৰ্বাচন আয়োগে বৈদ্যুতিন আৰু ডিজিটেল মাধ্যমত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ নিয়ন্ত্ৰণ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে।

৪। বিশ্বৰ ২০ শতাংশ তেল আৰু গেছ সৰবৰাহ হোৱা হ'ৰমুজ প্ৰণালীৰে নিৰাপদ আহ-যাহ সুনিশ্চিত কৰাৰ প্ৰচেষ্টাত যোগদান কৰিবলৈ সাজু বুলি দক্ষিণ কোৰিয়াই প্ৰকাশ কৰিছে।

*আৰু*

৫। ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ তনভি শৰ্মা জাপানৰ ন'জ'মি অকুহাৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে তিনিদিনীা উত্তৰ প্ৰদেশ ভ্ৰমণৰ আজি তৃতীয় দিনা মথুৰা জিলা গোৱৰধনস্থিত ডাংঘাটী মন্দিৰ দৰ্শন কৰি পূজা অৰ্চনা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে দিল্লীলৈ ঘূৰি অহাৰ পূৰ্বে পৰম্পৰাগত গোৱৰধন পৰিক্ৰমাও সম্পন্ন কৰে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে আৰম্ভ হোৱা এই ভ্ৰমণৰ প্ৰথমদিনা ৰাষ্ট্ৰপতি মুৰ্মুৰে অযোধ্যাৰ ৰামজন্মভূমি মন্দিৰ দৰ্শন কৰে। তাৰ পাছতে তেওঁ ইস্কন মন্দিৰ আৰু বৃন্দাবনস্থিত প্ৰেম মন্দিৰ দৰ্শন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কালি কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে নতুনকৈ নিৰ্মাণ কৰা ৰামকৃষ্ণ মিছন সেৱা আশ্ৰমণৰ কৰ্কট ৰোগ বিভাগৰ নৱনিৰ্মিত ভৱনৰ উদ্বোধন কৰে।

০০০০০০০০

সমগ্ৰ দেশতে আজি উলহ-মালহেৰে ঈদ-উল-ফিটৰ পালন কৰা হৈছে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত নামাজৰ আয়োজন কৰা হয়। দিল্লীৰ জামা মছজিদ, ফতেহপুৰ মছজিদ আৰু শ্বাহী ঈদগাহত ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে দেশবাসীক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে এটা বাৰ্তাত কয়, যে এই উৎসৱে আত্মসংযম, দান আৰু দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ প্ৰতি কৰুণাৰ বাৰ্তা বহন কৰে। এই উৎসৱে মৰম-ভালপোৱা, ভাতৃত্ববোধ শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাও বহন কৰে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৰে কয়, যে ঈদ-উল-ফিটৰৰ এই উৎসৱে সকলোৰে কল্যাণৰ চেষ্টাত ব্ৰতী হ'বলৈ সোঁৱৰাই দিয়ে। ৰাষ্ট্ৰপতি মুৰ্মুৰে লগতে অভাৱী লোকসকলৰ প্ৰতি সহায়, সমাজত শান্তি-সম্প্ৰীতিৰ প্ৰসাৰ আৰু ৰাষ্ট্ৰৰ প্ৰগতিত অৱিহণা আগবঢ়োৱাৰ সংকল্প ল'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত এই পৱিত্ৰ উৎসৱে সকলোৰে বাবে আশা, সমন্বয়, কৰুণা, আনন্দ আৰু সফলতাৰ বতৰা কঢ়িয়াই আনিব বুলি আশা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ বাৰ্তাত এই উৎসৱে সমাজত কৰুণা আৰু ভাতৃত্ববোধৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে এই উৎসৱে সকলোৰে জীৱনলৈ আনন্দ, সুস্বাস্থ্য আৰু সমৃদ্ধিৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

oooooooo

নিৰ্বাচন আয়োগে বৈদ্যুতিন আৰু ডিজিটেল মাধ্যমত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ নিয়ন্ত্ৰণ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। অসম, কেৰালা, তামিলনাডু আৰু পশ্চিমবংগৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰীত হ'বলগীয়া বিধানসভা নিৰ্বাচন আৰু ৬ খন ৰাজ্যৰ উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আয়োগে এই নিৰ্দেশ দিছে। এই নিৰ্দেশ অনুসৰি, সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ লগতে ব্যক্তি তথা সংগঠনসমূহেও বিজ্ঞাপন প্ৰকাশ পোৱাৰ পূৰ্বে সংবাদ প্ৰমাণীকৰণ আৰু নিৰীক্ষণ সমিতিৰ অনুমোদন ল'ব লাগিব। টেলিভিচন, ৰেডিঅ,' ৰাজহুৱা স্থানত প্ৰদৰ্শিত দৃশ্য-শ্ৰব্য মাধ্যম, ই-পেপাৰ, বাল্ক-এছ এম এছ আৰু সামাজিক মাধ্যমত যিকোনো ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ কৰাৰ পূৰ্বে পূৰ্ব প্ৰমাণীকৰণৰ বাবে সমিতিৰ ওচৰত আবেদন কৰিব লাগিব। আয়োগে প্ৰকাশ কৰা মতে, ব্যক্তি বা প্ৰাৰ্থীসকলে জিলা পৰ্যায়ৰ সংবাদ প্ৰমাণীকৰণ আৰু নিৰীক্ষণ সমিতিৰ ওচৰত বিজ্ঞাপনৰ প্ৰমাণীকৰণৰ বাবে আবেদন কৰিব পাৰিব। আনহাতে, ৰাজ্য বা কেন্দ্ৰীয়শাসিত অঞ্চলত মুখ্য কাৰ্য্যালয় থকা সকলো ৰাজনৈতিক দলে তেনে বিজ্ঞাপনৰ প্ৰমাণীকৰণৰ বাবে ৰাজ্যিক পৰ্যায়ৰ সংবাদ প্ৰমাণীকৰণ আৰু নিৰীক্ষণ সমিতিৰ ওচৰত আবেদন কৰিব পাৰিব। এনে পূৰ্ব প্ৰমাণীকৰণ অবিহনে কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে সামাজিক মাধ্যম বা ৱেবচাইটসহ যিকোনো মাধ্যমত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব।

oooooooo

কংগ্ৰেছে অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে সাত গৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিদিশা নেওগক জালুকবাৰী, জয়ন্ত বৰাক বিশ্বনাথৰ পৰা আৰু ৰাউল ৰয়ক হাইলাকান্দি সমষ্টিৰ পৰা দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। কংগ্ৰেছে মিত্ৰদল ৰাইজৰ দলক ১১ খন আসন এৰি দিছে। ১২৬ জনীয়া অসম বিধানসভাৰ বাবে ৯ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ মে'ত ভোটগণনা কৰা হ'ব।

oooooooo

বিশ্বৰ ২০ শতাংশ তেল আৰু গেছ সৰবৰাহ হোৱা হ'ৰমুজ প্ৰণালীৰে নিৰাপদ আহ-যাহ সুনিশ্চিত কৰাৰ প্ৰচেষ্টাত যোগদান কৰিবলৈ সাজু বুলি দক্ষিণ কোৰিয়াই প্ৰকাশ কৰিছে। দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰালয়ে পাৰস্য উপ-সাগৰীয় অঞ্চলত ইৰানৰ আক্ৰমণ আৰু হ'ৰমুজ প্ৰণালী বন্ধ কৰি দিয়া কাৰ্যক গৰিহণা দি ইউৰোপীয় ৰাষ্ট্ৰ আৰু জাপানসহ ৭ খন দেশে জাৰি কৰা যুটীয়া বিবৃতিৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান, নেডাৰলেণ্ডছ আৰু কানাডাই যুটীয়া বিবৃতিটোৰ জৰিয়তে ইৰানক আক্ৰমণ, কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ জলপথ অৱৰোধ কৰাৰ প্ৰয়াস বন্ধ কৰিবলৈ আৰু নৌ পৰিবহণৰ স্বতন্ত্ৰতাৰ নীতি মানি চলিবলৈ আহ্বান জনাইছে।

oooooooo

ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য কৰ্তৃপক্ষ-এন বি এ ই আক্ৰমণকাৰী এলিয়েন প্ৰজাতি আৰু এনে প্ৰজাতিৰ জৰিয়তে দেশত বৃদ্ধি পোৱা পৰিবেশতন্ত্ৰমূলক আৰু সামাজিক বিত্তীয় সংকটসমূহৰ মোকাবিলা কৰিব পৰাকৈ এখন বিশেষজ্ঞ কমিটী গঠন কৰিছে। উল্লেখযোগ্য যে, এই প্ৰজাতি সমূহে স্থানীয় জৈৱ বৈচিত্ৰ্য, মূল পৰিবেশতন্ত্ৰ, কৃষি, খাদ্য সুৰক্ষা, মানৱ আৰু বন্যপ্ৰাণীৰ স্বাস্থ্যৰ প্ৰতি আনিব পৰা সংকটসমূহক প্ৰতিহত কৰিবৰ বাবে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে গ্ৰহণ কৰা স্বতঃস্ফূৰ্ত কাৰ্যপ্ৰণালীৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰে। কেন্দ্ৰীয় পৰিবেশ, বন আৰু বতৰ পৰিবৰ্তন মন্ত্ৰালয়ে জনাইছে যে, এই বিশেষজ্ঞ কমিটীখনে ৰাজ্যসমূহৰ পৰা লাভ কৰা তথ্যৰ ওপৰত ভিত্তি কৰি এনে ধৰণৰ পৃথিৱীৰ বাহিৰৰ প্ৰজাতিৰ এখন ৰাষ্ট্ৰীয়ভিত্তিক তালিকা প্ৰস্তুত কৰি উলিয়াব। মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়ে যে এই কমিটীখনে উচ্চ বিপদাংশংকা প্ৰজাতি সমূহক চিহ্নিত কৰি বৈজ্ঞানিক কৌশলগত ব্যৱস্থা,

পৰিবেশতন্ত্ৰৰ পুনৰুদ্ধাৰৰ ব্যৱস্থা আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ নিৰ্দেশাৱলীৰ জৰিয়তে প্ৰতিৰোধ, নিয়ন্ত্ৰণ আৰু নিৰ্মূলৰ ব্যৱস্থা কৰিব। উল্লেখযোগ্য যে এই কমিটীখন দুবছৰৰ বাবে কাৰ্যক্ষম হৈ থাকিব।

oooooooo

ইজৰাইলে হিজবুল্লাৰ বিৰুদ্ধে সামৰিক অভিযান তীব্ৰতৰ কৰি তুলিছে আৰু বেৰুটৰ দক্ষিণ প্ৰান্তত নতুনকৈ বিমান আক্ৰমণ আৰম্ভ কৰিছে। ইজৰাইলৰ সেনা বাহিনীয়ে কামাণ্ড কেন্দ্ৰ আৰু আন্তঃগাঁথনিসমূহক আক্ৰমণক লক্ষ্য কৰি লৈছে। সংঘৰ্ষ তীব্ৰতৰ হৈ উঠাৰ ফলত লেবাননৰ মানৱীয় স্থিতি ক্ৰমাৎ বেয়াৰ পিনে ঢাল খাইছে। লেবানন কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে দেশখনৰ দক্ষিণ প্ৰান্তৰ স্বাস্থ্যকেন্দ্ৰসমূহক লক্ষ্য কৰি চলোৱা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৭ লাখ ৬০ হাজাৰৰো অধিক লোকক নিৰাপদ স্থানলৈ আঁতৰাই নিবলগীয়া হৈছে আৰু জৰুৰীকালীন সেৱাও ব্যাহত হৈছে।

আমেৰিকা যুক্তৰাষ্ট্ৰই অঞ্চলটোত সামৰিক শক্তি বঢ়োৱাৰ উদ্দেশ্যে চলোৱা প্ৰচেষ্টাৰ বাবে উত্তেজনা বৃদ্ধি পাইছে। সংঘৰ্ষ বিৰতিৰ বিৰুদ্ধে গ্ৰহণ কৰা স্থিতিৰ বিষয়ে পুনৰ উল্লেখ কৰি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয়, যে ৱাশ্বিংটন মহল কৌশলগত লক্ষ্য পূৰণৰ দিশে আগবাঢ়িছে। আমেৰিকা যুক্তৰাষ্ট্ৰই আক্ৰমণকাৰী জাহাজ, প্ৰতিহত কৰাৰ উদ্দেশ্যে হ'ৰমুজ প্ৰণালীত নতুনকৈ এ টেন টহলদাৰী দল নিয়োগ কৰিছে।

ইপিনে, ইৰাণৰ ৰাষ্ট্ৰপতি মছুদ পেজেস্কিয়ানে কৈছে, যে দেশখনে চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে যুদ্ধ নিবিচাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে অঞ্চলটোৰ বৰ্ধিত উত্তেজনাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলক দোষাৰোপ কৰিছে। ইৰানে লগতে পাৰস্য উপসাগৰীয় অঞ্চলৰ ৰাষ্ট্ৰসমূহক লক্ষ্য কৰি চলোৱা আক্ৰমণৰ সপক্ষে মত পোষণ কৰি কয়, যে এই ৰাষ্ট্ৰসমূহত স্থাপন কৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক ঘাটি ধ্বংস কৰাৰ বাবে আক্ৰমণ চলাবলগীয়া হৈছে। ইৰানে সংযুক্ত আৰৱ-আমিৰি ৰাষ্ট্ৰৰ ৰাচ অল খেইমা আমিৰাটক সকিয়াই দিছে। ইৰানে ৰাচ অল খেইমা আৰু ডুবাইৰ চৌপাশৰ এলেকাসমূহক আক্ৰমণ চলোৱাৰ বাবে ব্যৱহাৰ কৰা বুলি অভিযোগ তুলিছে।

ইফালে, সংযুক্ত আৰৱ-আমিৰি ৰাষ্ট্ৰৰ বিষয়াসকলে উচ্চ সতৰ্কতাৰ পাছত পৰিস্থিতি নিয়ন্ত্ৰণত থকা বুলি প্ৰকাশ কৰিছে। আকাশীপথৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞাৰ বাবে ঘাই ঘাই বিমান পৰিবহণ সংস্থাসমূহৰ যাত্ৰাসূচী সলনি কৰিবলগীয়া হৈছে আৰু ইয়াৰ ফলত বিমান সেৱা কিছু পৰিমাণে বিঘ্নিত হৈছে।

oooooooo

ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ তনভি শৰ্মা জাপানৰ ন'জমি অকুহাৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেল তনভিয়ে জাপানৰ নাটচুকি নিদাইৰাক ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰে। আন এখন চেমি ফাইনেলত আজি সন্ধিয়া ৫ বজাত অসম সন্তান ঈষাৰাণী বৰুৱাই থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। তেওঁ কোৱাৰ্টাৰ ফাইনেলত মালৱিকা বানছুড়ক ২১-৯, ১৫-৭ গেমত পৰাস্ত কৰি চেমি ফাইনেলত স্থান নিশ্চিত কৰে।

oooooooo

সমাপ্ত